তোমালোকে বাতিল উপাস্য আৰু পিতৃপুৰুষসকলৰ শপত নাখাবা।

আব্দুৰ ৰহমান বিন ছামুৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে বাতিল উপাস্য আৰু পিতৃপুৰুষসকলৰ শপত নাখাবা।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত তাৱাগীৰ শপত খাবলৈ নিষেধ কৰিছে। তাৱাগী হৈছে তাগিয়াৰ বহুবচন। ইয়াৰ দ্বাৰা সেইবোৰ মূৰ্ত্তিক বুজোৱা হৈছে, যিবোৰ মূৰ্ত্তিৰ উপাসনা মুশ্বৰিকসকলে আল্লাহৰ বাহিৰে কৰিছিল। লগতে এইটোৱে আছিল সিহঁতৰ কুফৰী আৰু অস্বীকাৰ কৰাৰ কাৰণ। এইদৰে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে পিতৃপুৰুষৰ শপত খাবলৈ নিষেধ কৰিছে। কাৰণ অজ্ঞতাযুগত আৰবীয়ানসকলে সগৌৰৱে নিজৰ পিতৃপুৰুষৰ শপত খাইছিল।

https://sunnah.global/hadeeth/as/show/8959